



# ড্ৰেগনৰ দেশত...

জিতুমণি পাঠক

অক্টোবৰৰ ২ তাৰিখ। ভাৰতবৰ্ষৰ যুগপুৰুষগৰাকীৰ এই জন্মদিনটোতে আমি ভৰি থৈছিলো আমাৰ গাতে লাগি থকা চুবুৰীয়া দেশ ভূটানত। দেশখনত প্ৰথম ভৰি থৈয়েই এনে অনুভৱ হৈছিল মহাত্মা গান্ধীৰ স্বচ্ছতাৰ সপোনক, অহিংসাৰ সপোনক যেন বাস্তৱায়িত কৰাৰ ভাৰ আমাৰ ওপৰত নহয় তেওঁলোকৰ ওপৰতহে ন্যস্ত কৰা হৈছিল। আমাৰ পাঁচজনীয়া সৰু দলটোত আমাকে ধৰি আছিল ড° মানসলোচন দাস, দিবাকৰ নাথ, মাণিক ৰাভা আৰু মহিবুল (মুন) হক। পশ্চিমবংগৰে ভাৰতৰ সীমান্ত পাৰ হৈ যেতিয়া আমি ভূটানত সোমাইছিলোঁগৈ তেতিয়াই প্ৰথম দৃষ্টিতে এক বৈশ্যদৃশ্যই আমাৰ চকুত জলজল-পটপটকৈ ধৰা দিছিল। সেয়া আছিল দুয়োখন দেশৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ছবি। এফালে ভূটানৰ ফুৱেণ্টশ্বলিং চহৰখন (যি আমাৰ ভাৰতীয়বোৰৰ মুখত পৰি ফুলিচিলিঙলৈ ৰূপান্তৰিত হৈছে গৈ) আনফালে ভাৰতৰ জয়গাঁও নামৰ চহৰখন। গাতে লাগি থকা দুয়োখন চহৰলৈ আহ-যাহ কৰিবলৈ কোনো বাধাৰ হেঙাৰ নাই। মন গ'লেই ইপাৰৰ মানুহে সিপাৰলৈ আৰু সিপাৰৰ মানুহে ইপাৰলৈ আহ-যাহ কৰিব পাৰে। কিন্তু সামান্য এডাল



সীমা ৰেখাৰ ইফালে-সিফালেই যেন দুখন ভিন্ন প্ৰতিচ্ছবি। এফালে এক কদৰ্যময় পৰিৱেশ আনফালে এক ঈৰ্ষণীয় পৰিচ্ছন্নতা। এয়া যেন আমাৰ মানসিকতাৰ এক প্ৰতিফলন। গাতে লাগি থকা এখন চহৰ, য'ত আমি মন গ'লেই এপাক ফুৰি আহিব পাৰো সিও আমাক শিকাব পৰা পৰিচ্ছন্নতাৰ পাঠ। দিল্লীৰ পৰা বৈ অহা স্বচ্ছ ভাৰতৰ বতাহজাকে আহি ইয়াক চুবলৈ যেন অনেক পৰ।

ফুৱেণ্টশ্বলিং নামৰ সৰু চহৰখনেই আমাক শিকাইছিল শৃংখলাবদ্ধতাৰ আদি পাঠ। ইমিগ্ৰেচন অফিচলৈ যাবলৈ দিবাকৰদা আৰু মই খৰধৰকৈ সৰু ৰাস্তাটি পাৰ হ'বলৈ ওলাইছিলো। দুয়োফালে ওচৰে-পাঁজৰে কোনো গাড়ী-ঘোঁৰাও নাছিল। কিন্তু ৰাস্তাটি পাৰ হ'বলৈ ওলায়ে দেখিছিলো সিফালে ফুটপাথত আমাক উদ্দেশ্যি হাতযোৰ কৰি থিয় দি আছে ভূটান ট্ৰেফিক পুলিচ। আমাৰ ভৰিবোৰ অজানিতে স্তব্ধ হৈ গৈছিল। হাঁহিমুখীয়া সেই ট্ৰেফিক পুলিচজনে আমাক অলপ আঁতৰত থকা মানুহ অহা-যাহ কৰিবলৈ থকা জেব্ৰা ক্ৰছিংটোলৈ আঙুলিয়াই দেখুৱাই দিছিল। ভাৰতৰ সীমান্তত ইমানদিনে কৰ্মত নিয়োজিত সেই ট্ৰেফিক পুলিচগৰাকী চাগে ভাৰতীয় মানসিকতা সম্পৰ্কে অতিকে পৰিচিত। সেয়েহে সদা সৰ্তক দৃষ্টি তেওঁৰ আমাৰ দৰে মানুহবোৰৰ ওপৰত। ফুটপাথৰ পৰা আমাৰ নামিব খোজা ভৰিবোৰ আকৌ ওপৰলৈ উঠি আহিছিল। আমি দুয়ো আগবাঢ়িছিলো। জেব্ৰা ক্ৰছিংটোলৈ সেই সময়তে এটা দীঘলীয়া গাড়ীৰ শাৰী আহি আছিল। আমি ভাবিছিলো আমি চাগে ক্ষন্তেক ৰ'ব লাগিব। কিন্তু আমি ৰ'ব লগা নহ'ল। আমাক বাটটি পাৰ হ'বলৈ খোজা দেখি গাড়ীবোৰ বৈ দিছিল। আমি পাৰ হৈ সিটো মূৰৰ পৰা আকৌ উভতি চাইছিলো। দেখিছিলো যেতিয়াই পথচাৰীয়ে বাট পাৰ হ'বলৈ বিচাৰিছে তেতিয়াই যান-বাহনবোৰ বৈ দিছে। যান-বাহনবোৰ গৈ শেষ হোৱালৈ পথচাৰী বৈ থাকিব লগা হোৱা নাই। ইয়াত ট্ৰেফিক আইন যথেষ্ট কড়া। তাৰ প্ৰমাণ ফুৱেণ্টশ্বলিং এৰি থিম্‌ফুলৈ আগবঢ়াৰ মুহূৰ্তত আকৌ এবাৰ পালো। আমি থিম্‌ফুলৈ যোৱাৰ পথত পথ ভুল কৰি বেলেগ দিশলৈ আগবাঢ়িছিলো। কিন্তু অলপ দূৰ গৈ আমাৰ ভুলটো অনুভৱ কৰাত আমাৰ গাড়ীখন ঘূৰাই লোৱাৰ প্ৰয়োজন হ'ল। আমি তেনে ঠাইত গাড়ী ঘূৰোৱাৰ অনুমতি আছে নে নাই তালৈ বিশেষ মন নকৰি কেৱল বাটত আন গাড়ী-মটৰ নেদেখি পটকৈ ঘূৰাই পেলালো। লগে লগে ট্ৰেফিক পুলিচ ল'ৰি আহিল। আমি গাড়ীখন লগে লগে ৰখাই দিলো। আমাৰ গাড়ীৰ কাগজপত্ৰ চোৱাৰ লগতে ট্ৰেফিক আইন ভংগ কৰাৰ বাবে ১২শ টকা ফাইন বিচাৰিলে। আমাৰ ইয়াৰ ট্ৰেফিক আইন বা বাটপথৰ সম্পৰ্কে অজ্ঞতাৰ কথাটো জনাবলৈ গাড়ীৰ পৰা মাণিক আৰু মুন নামি গ'ল। ড্ৰাইভিং ছিটত [illegible] মানসদাই দুয়োকে আমাৰ ইয়াত প্ৰায়বোৰে কৰাৰ দৰে ট্ৰেফিক পুলিচজনৰ সৈতে মেনেজ জাতীয় কাম যাতে কৰিবলৈ প্ৰয়াস নকৰে তাক সকীয়াই দিলে। যথাসম্ভৱ নম্ৰতাৰে কৰা আমাৰ দোষ স্বীকাৰে কাম দিলে। আমাৰ অজ্ঞতাৰ দিশটোৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি ট্ৰেফিক পুলিচজনে আমাক প্ৰথম ভুলৰ বাবে বিনা ফাইনেৰে যাবলৈ অনুমতি দিলে। আমাৰ ছৰী আৰু ধন্যবাদ কোৱাৰ বাহিৰে বেলেগ শব্দ আৰু মুখলৈ অহা নাছিল। কিছু দূৰ ধৰি এক শান্ত আৰু সমাহিত পৰিৱেশৰ মাজেৰে আমি মৌনভাৱে আগবাঢ়িছিলো। নক'লেও হ'ব যে অসমত হোৱা হ'লে তেনে এক পৰিস্থিতিত ট্ৰেফিক পুলিচজনৰ ভূমিকা কি হ'লহেঁতেন সেই ভাৱটোৱে সকলোৰে মনত ক্ৰিয়া কৰি আছিল।

আগলৈ

ফোন : ৯৮৫৪০-১৮১১৭